# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 17-09-2024
**Time :** 19.10 hrs

## *Assamese Evening Bulletin*
### HEADLINES

০০০০ ০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশ মহিলা, খেতিয়ক, যুৱ প্ৰজন্ম, দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ সম অংশগ্ৰহণেৰে বিকশিত ভাৰত গঢ়াৰ দিশে ক্ষীপ্ৰ গতিত অগ্ৰসৰ হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জল সংৰক্ষণ, উন্নত ব্যৱস্থাপনা, উন্নয়ন আৰু বিতৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গণ আন্দোলন গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

৩। উচ্চতম ন্যায়ালয়ে কলকাতাৰ ধৰ্ষণ আৰু হত্যাৰ বলি হোৱা আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী চিকিৎসকৰ নামৰ সৈতে জড়িত পৃষ্ঠাসমূহ আঁতৰ কৰিবলৈ উইকিপিডিয়াক নিৰ্দেশ দিছে।

৪। আম আদমী পাৰ্টিৰ নেতা অৰবিন্দ কেজৰিৱালে আজি দিল্লীৰ মুখ্যমন্ত্ৰী পদ ত্যাগ কৰে।

*আৰু*

৫। ভাৰতে আয়োজক দেশ চীনক ১-০ গলত পৰাস্ত কৰি অভিলেখ সংখ্যক পঞ্চমবাৰৰ বাবে পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশ মহিলা, খেতিয়ক, যুৱ প্ৰজন্ম, দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ সম অংশগ্ৰহণেৰে বিকশিত ভাৰত গঢ়াৰ দিশে ক্ষীপ্ৰ গতিত অগ্ৰসৰ হৈছে। ওড়িয়াৰ ভূবনেশ্বৰৰ জনতা ময়দানত আজি বিয়লি এখন সংবাদ মেলক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰৰ তৃতীয় কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ হৈছে আৰু এই সময়ছোৱাত ভালেমান প্ৰকল্প আৰু আঁচনি আৰম্ভ কৰা হৈছে। তেওঁ কয় যে, তৃতীয় কাৰ্যকালৰ প্ৰথম এশ দিনৰ ভিতৰত গৃহহীন লোকৰ বাবে ৩ কোটি পকী ঘৰৰ নিৰ্মাণ, ২৫ হাজাৰ গাওঁত পকী পথ নিৰ্মাণ, চিকিৎসা মহাবিদ্যালয়ত ৭৫ হাজাৰৰো অধিক অতিৰিক্ত আসন, চৰকাৰী কৰ্মচাৰীৰ বাবে নতুন পেঞ্চন আঁচনি আৰু ব্যক্তিগত ক্ষেত্ৰত কৰ্মৰত যুৱক-যুৱতীসকলৰ বাবে প্ৰথম চাকৰি তথা প্ৰথম বেতনৰ লেখিয়া ভালেমান কামত অনুমোদন জনোৱা হৈছে। তেওঁ কয় যে, দেশৰ জনসাধাৰণে ভাৰতবৰ্ষ বিকশিত ৰাষ্ট্ৰৰূপে প্ৰতিষ্ঠা লাভ কৰাত বাধা প্ৰদানৰ বাবে ঘৃণা আৰু হিংসাত বিশ্বাস কৰা সকলৰ পৰা আঁতৰি থকা উচিত। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে ওড়িশা চৰকাৰৰ মহিলা কেন্দ্ৰিক উদ্যম সুভদ্ৰা যোজনাৰ লগতে ভালেমান ৰেল আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প মুকলি কৰে।

০০০

রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জল সংৰক্ষণ, উন্নত ব্যৱস্থাপনা, উন্নয়ন আৰু বিতৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গণ আন্দোলন গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অষ্টম ভাৰত জল সপ্তাহ উদ্বোধন কৰি শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ জল সংৰক্ষণ আৰু বহন ক্ষমতাৰ বিষয়সমূহ দূৰ কৰাৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টাৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে দেশত পানীৰ উৎস ব্যৱস্থাপনাৰ এনে বহুতো প্ৰাচীন প্ৰথাৰ উল্লেখ আছে। যিবোৰ আজিও প্ৰাসংগিক আৰু সেইসমূহ আধুনিক ৰূপত প্ৰয়োগৰ কৰা উচিত। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, ভাৰতৰ প্ৰাচীন ধৰ্মগ্ৰন্থসমূহত হাজাৰ হাজাৰ বছৰ পুৰণি জল সংৰক্ষণ ব্যৱস্থাৰ কথা উল্লেখ আছে। তেঁও কয় যে, স্বাধীনতাৰ অমৃত মহোৎসৱৰ সময়ছোৱাত অমৃত সৰোবৰ খনন কৰা হৈছে আৰু ভালেমান জলাশয় পুনৰুজ্জীৱিত কৰা হৈছে। জল সংৰক্ষণ অভিযানৰ পৰিৱৰ্তনকাৰী প্ৰভাৱৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই অভিযানৰ ফলত সমগ্ৰ দেশৰ পানীৰ সম বিতৰণ ব্যৱস্থা উন্নীত হৈছে। তেঁও কয় যে, এই অভিযানে সকলোৰে বাবে বিশুদ্ধ খোৱাপানীৰ লভ্যতা সুনিশ্চিত কৰিছে। তেওঁ লগতে দেশৰ গ্ৰামাঞ্চলৰ ৭৮ শতাংশ এলেকাত ইতিমধ্যে পানীৰ সংযোগ প্ৰদানক লৈ সন্তুষ্টি প্ৰকাশ কৰে। এই উপলক্ষে জলশক্তি মন্ত্ৰী চি আৰ পাটিলে শক্তিশালী সহযোগিতা, অংশীদাৰিত্ব আৰু গতিশীল সমাধানসূত্ৰৰে পানীৰ নাটনিৰ সমস্যা দূৰ কৰিবলৈ অংশগ্ৰহণকাৰীসকললৈ আহ্বান জনায়। তেওঁ কয় যে, বৰ্তমানলৈকে গ্ৰামাঞ্চলৰ ১৫ কোটিৰো অধিক পৰিয়ালক পানীৰ সংযোগ প্ৰদান কৰা হৈছে। এই ৪ দিনীয়া অনুষ্ঠানত ৪০ খন ৰাষ্ট্ৰৰ ২০০ ৰো অধিক প্ৰতিনিধিকে ধৰি মুঠ ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব আৰু এশৰো অধিক প্ৰদৰ্শনকাৰী তথা ষ্টাৰ্টআপ প্ৰতিষ্ঠানে জল ক্ষেত্ৰ সন্দৰ্ভত নিজৰ নিজৰ অৱধাৰণা তুলি ধৰিব।

০০০

উচ্চতম ন্যায়ালয়ে কলকাতাৰ ধৰ্ষণ আৰু হত্যাৰ বলি হোৱা আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী চিকিৎসকৰ নামৰ সৈতে জড়িত পৃষ্ঠাসমূহ আঁতৰ কৰিবলৈ উইকিপিডিয়াক নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্দিৱালা, আৰু ন্যায়াধীশ মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰপীঠে এই ঘটনাৰ সংক্ৰান্তত উচ্চতম ন্যায়ালয়ে নিজাববীয়াকৈ ৰুজু কৰা গোচৰ সংক্ৰান্তত শুনানি গ্ৰহণ কৰি আজি এইদৰে নিৰ্দেশ দিয়ে। মহান্যায়াভিকৰ্তা তুষাৰ মেহতাই শুনানিৰ সময়ত বিচাৰপীঠখনৰ আগত কয় যে, উইকিপিডিয়াই বৰ্তমানেও ভুক্তভোগী চিকিৎসকগৰাকীৰ নাম আৰু আলোকচিত্ৰ প্ৰদৰ্শন কৰি আছে। বিচাৰপীঠখনে কয় যে, ই ২০ আগষ্টতে ভুক্তভোগী মহিলাগৰাকীৰ নাম আৰু আলোকচিত্ৰ সামাজিক মাধ্যম আৰু বৈদ্যুতিন সংবাদ মঞ্চৰ পৰা আঁতৰ কৰিবলৈ নিৰ্দেশ দিছিল। বিচাৰপীঠখনে উইকিপিডিয়াক এই নিৰ্দেশ পালন কৰিবলৈ পুনৰাই কয়।

উচ্চতম ন্যায়ালয়ে কয় যে, কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে দাখিল কৰা গোচৰৰ স্থিতি সম্পৰ্কীয় প্ৰতিবেদন সচাকৈ চিন্তাজনক। অৱশ্যে সৰ্বোচ্চ ন্যায়ালয়ে চিবিআইয়ে দাখিল কৰা প্ৰতিবেদনৰ সবিশেষ প্ৰকাশ কৰাৰ পৰা বিৰত থাকে। ন্যায়ালয়ে কয় যে এনেধৰণৰ তথ্য সদৰি কৰিলে তদন্তত বাধা উৎপন্ন হ'ব পাৰে। এখন ৩ জনীয়া বিচাৰপীঠে ৯ চেপ্তেম্বৰত এই ঘটনা সন্দৰ্ভত চিবিআইক নতুনকৈ স্থিতি সম্পৰ্কীয় প্ৰতিবেদন দাখিল কৰিবলৈ আহ্বান জনাইছিল।

০০০

আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে আজি দিল্লীৰ মুখ্যমন্ত্ৰী পদ ত্যাগ কৰে। শ্ৰীকেজৰিৱালে বিয়লি দিল্লীৰ উপ ৰাজ্যপাল ভি কেক চাক্সেনাৰ হাতত পদত্যাগপত্ৰ দাখিল কৰে।

ইয়াৰ পূৰ্বে আম আদমী পাৰ্টীয়ে দলৰ জ্যেষ্ঠ নেত্ৰী আতিশী দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হ'ব বুলি ঘোষণা কৰে। নতুন দিল্লীত অনুষ্ঠিত আম আদমী পাৰ্টীৰ বিধায়কসকলৰ বৈঠকত শ্ৰীমতী আতিশীক বিধায়িনী গোটৰ নেত্ৰী হিচাপে বাছনি কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মহানগৰ বিভাগৰ মন্ত্ৰী গোপাল ৰায়ে কয় যে পৰৱৰ্তী বিধানসভা নিৰ্বাচন পৰ্যন্ত আতিশী মুখ্যমন্ত্ৰী হ'ব বুলি সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আম আদমী পাৰ্টীয়ে অহা অক্টোবৰ-নৱেম্বৰত দিল্লীত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাটো বিচাৰে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী ৰায়ে বিজেপিয়ে আম আদমী পাৰ্টীক নিঃশেষ কৰাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে।

বিজেপিয়ে আতিশীক মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত কৰাৰ সিদ্ধান্তক লৈ কটাক্ষ কৰি কৈছে যে, চেহেৰা সলনি কৰিলেই দলৰ চৰিত্ৰ সলনি নহয়। দিল্লী বিজেপিৰ মুৰববী বীৰেন্দ্ৰ চচদেৱাই সংবাদ মাধ্যমৰ আগত কয় যে আম আদমী পাৰ্টী দুৰ্নীতিত লিপ্ত হৈছে আৰু দলটোৱে অৰবিন্দ কেজৰিৱালৰ শাসনকালত বিগত ১০ বছৰত হোৱা দুৰ্নীতিৰ উত্তৰ দিব লাগিব।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথম এশ দিনৰ ভিতৰত ১৫ লাখ কোটি টকাৰ বিভিন্ন প্ৰকল্পত অনুমোদন জনোৱা হৈছে অথবা আৰম্ভ কৰা হৈছে। তেওঁ কয় যে, এই সময়ছোৱাত অৰ্থব্যৱস্থাৰ সুদৃঢ়কৰণ, জীৱন ধাৰণ সুগম আৰু দুখীয়া তথা মধ্য বিত্ত শ্ৰেণীৰ জীৱন উন্নত কৰাৰ বাবে ভালেমান সিদ্ধান্ত লোৱা হৈছে। মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ ১০০ দিন সম্পূৰ্ণ হোৱা উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু তথ্য তথা সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি চৰকাৰৰ কাম-কাজ সন্দৰ্ভত এখন পুস্তিকা আৰু ৮ খন প্ৰচাৰ পত্ৰিকা মুকলি কৰে। নতুন দিল্লীত সাংবাদিকৰ সতে হোৱা কথা বতৰাত শ্ৰীশ্বাহে চৰকাৰে বিগত ১০ বছৰত বিভিন্ন খণ্ডৰ বাবে লোৱা উদ্যমসমূহৰ শলাগ লয়। তেওঁ কয় যে, মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথম এশ দিনৰ ভিতৰত ৩ লাখ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন আন্তঃগাঠনি প্ৰকল্পত অনুমোদন দিয়া হৈছে। দেশৰ পথ নেটৱৰ্কক সুদৃঢ় কৰি তোলাৰ বাবে ৫০ হাজাৰ ৬শ কোটি টকা আৱণ্টন দিয়া হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে ভাৰত মেক ইন ইণ্ডিয়া উদ্যমৰ বলত উৎপাদনৰ আকৰ্ষণীয় স্থলৰূপে পৰিগণিত হৈছে। ইপিনে, পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে মোদী চৰকাৰৰ প্ৰথম এশ দিনৰ প্ৰশংসা কৰি কৈছে যে, এই সময়চোৱাত চৰকাৰে অভূতপূৰ্ব কাম-কাজ সম্পন্ন কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ সময়ত শ্ৰীপুৰীয়ে কয় যে, ২০১৪ চনৰে পৰা নগৰীয়া ব্যয় এঘাৰ গুণ বৃদ্ধি পাইছে। শ্ৰীপুৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৪ কোটিৰো অধিক বাসগৃহ নিৰ্মাণ আৰু উজ্বলা যোজনাকে ধৰি বৰ্তমান চৰকাৰৰ সাফল্যসমূহৰ বিষয়ে আলোকপাত কৰে।

০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত সেৱা পযেকৰ অধীনত ৰক্তদান শিবিৰ মুকলি কৰে। শ্ৰীনাড্ডাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম দিন উপলক্ষে তেওঁৰ জীৱনৰ ওপৰত

আধাৰিত এখন প্ৰদৰ্শনীও মুকলি কৰে। এই উপলক্ষে শ্ৰীনাড্ডাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদায় দুখীয়া, উপান্ত শ্ৰেণী, দলিত, যুৱ প্ৰজন্ম আৰু খেতিয়কসকলৰ  বাবে কাম কৰি আহিছে আৰু তেওঁলোকৰ জীৱনৰ উন্নয়নৰ হকে চেষ্টা চলাই আহিছে।

০০০

ভাৰতে আয়োজক দেশ চীনক ১-০ গলত পৰাস্ত কৰি অভিলেখ সংখ্যক পঞ্চমবাৰৰ বাবে পুৰুষৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। হুলুনবুইৰত অনুষ্ঠিত ৰোমাঞ্চকৰ খেলখনত ভাৰতৰ হৈ যুগৰাজ সিঙে একমাত্ৰ গলটো দিয়ে। এই জয়ৰ সুবাদত ভাৰত এই প্ৰতিযোগিতাৰ ইতিহাসত সবাতকৈ সফল দলৰূপে পৰিগণিত হৈছে। ভাৰতে প্ৰতিযোগিতাৰ ৮ টা সংস্কৰণৰ ভিতৰত ছবাৰকৈ ফাইনেলত অৱতীৰ্ণ হৈছে আৰু ৫ বাৰ খিতাপ দখল কৰিছে। চীনে এইবাৰেই প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০

সমাপ্ত